ৰাজ্যিক কাৰ্য্যালয়
# ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ
*"অটল বিহাৰী বাজপেয়ী ভৱন"*
Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

ড০ মনমোহন সিঙৰ দিনত আগষ্ট হেলিকপ্তাৰ কেলেংকাৰীয়ে দেশ জোকাৰি গৈছিল। দেশৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰখনকো দুৰ্নীতিত নিমজ্জিত কৰা কংগ্ৰেছ দলটোৱে ভাৰতীয় জনতা পাৰ্টিকো একেই চকুৰে চোৱা কাৰ্য্য সেয়েহে আমি অস্বাভাবিক বুলি গণ্য কৰা নাই। দেশৰ প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই ৰাফেল বিমান ক্ৰয় চুক্তিৰ জৰীয়তে দেশৰ ৰাজহ ভড়ালৰ কোটি কোটি টকা ৰাহি কৰিবলৈহে সক্ষম হৈছে কাৰণ বিজেপি চৰকাৰে কংগ্ৰেছৰ তুলনাত বহু কম টকাত এই বিমান ক্ৰয় কৰিছে।

সেয়েহে কংগ্ৰেছৰ এনে অপপ্ৰচাৰ, ভিত্তিহীন অভিযোগ আৰু দেশৰ সৰ্বোচ্চ আইনী প্ৰক্ৰিয়াৰ ওপৰত আস্থা নৰখাৰ প্ৰতিবাদত তথা দেশৰ জনগণক বিভ্ৰান্ত আৰু বিপথে পৰিচালিত কৰাৰ বিৰুদ্ধে ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশ জুৰি কংগ্ৰেছ দলক সকিয়াই দিয়াৰ বাবে কাইলৈ কংগ্ৰেছ দলৰ ৰাজ্যিক মুখ্য কাৰ্য্যালয় ৰাজীৱ ভৱন ঘেৰাও কৰাৰ প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰিছে।

আনহাতে একেদিনাই ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতিখন জিলা সমিতিয়ে প্ৰতিবাদী সমদলৰে জিলা উপায়ুক্ত/ মহকুমাধিপতিৰ জৰিয়তে দেশৰ মহামান্য ৰাষ্ট্ৰপতি মহোদয়লৈ স্মাৰকপত্ৰ প্ৰদানৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছে।

**স্বাক্ষৰ - দেৱান ধ্ৰুৱজ্যোতি মৰল**
**আহ্বায়ক, মিডিয়া সম্পৰ্ক বিভাগ, বিজেপি, অসম প্ৰদেশ**